**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-JAN-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। প্ৰকৃতি আৰু ঐতিহ্য সুৰক্ষিত ৰাখি উন্নয়নৰ যাত্ৰা অব্যাহত ৰখা যে সম্ভৱ সেই কথা অসমে প্ৰমাণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ছুইজাৰলেণ্ডলৈ যাত্ৰা।

৩। আৰক্ষী কনিষ্টবল পদৰ আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়সৰ উচ্চ সীমা ২৬ বছৰলৈ বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৪। সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ আজি নৱগ্ৰহ শ্মশানত শেষকৃত্য।

*আৰু*

৫। ভাৰতক তৃতীয় এদিনীয়াত ৪১ ৰানত পৰাস্ত কৰি ২-১ৰ ব্যৱধানত নিউজিলেণ্ডৰ ক্ৰিকেট শৃংখলা হস্তগত।

oooooo

প্ৰকৃতি আৰু ঐতিহ্য সুৰক্ষিত ৰাখি উন্নয়নৰ যাত্ৰা অব্যাহত ৰখাটো যে সম্ভৱ সেই কথা অসমে প্ৰমাণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। কাজিৰঙাক দেশৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্ন হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কাজিৰঙাৰ বন্যপ্ৰাণীক ৰক্ষা কৰি অসমৰ ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰাটো চৰকাৰৰ দায়িত্ব বুলিও তেওঁ মন্তব্য কৰিছে। কাজিৰঙা এলিভেটেড কৰিড'ৰ প্ৰকল্প আৰু ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণৰ ভূমিপূজন কাৰ্যসূচীত অংশগ্ৰহণ কৰি কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে কাজিৰঙা কেৱল মাত্ৰ ৰাষ্ট্ৰীয় উদ্যান নহয়, কাজিৰঙা অসমৰ আত্মা বুলি মত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনত গঁড় হত্যা ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত নতুন দুৱাৰমুখ হিচাপে উদ্ভাসিত হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। উত্তৰ-পূবক দেশৰ বাকী অংশৰ সৈতে উন্নয়নৰ পথত সমানে আগবঢ়াই নিয়াৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা লক্ষ্যৰ বিষয়েও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই উপলক্ষে কলিয়াবৰৰ মৌচন্দা পথাৰত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ কয়, যে অসম উন্নতিৰ পথত আগবাঢ়িলে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই উন্নতিৰ পথত আগবাঢ়িব আৰু উত্তৰ-পূৰ্বাঞ্চল আগবাঢ়িলে সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ উন্নয়ন সাধন সম্ভৱ হ'ব। ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ আৰু কলিয়াবৰৰ পৰা নুমলীগড়লৈ হ'বলগীয়া চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বিজেপি চৰকাৰে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ ফলত অঞ্চলটোৰ বাবে নতুন নতুন সুযোগ আৰু দীৰ্ঘকালীন উন্নয়নৰ পথ প্ৰশস্ত হ'ব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে নিস্ক্ৰিয় ভূমিকা গ্ৰহণ কৰা বুলি দলটোক সমালোচনা কৰি ভাৰতীয় জনতা পাৰ্টী সম্প্ৰতি দেশবাসীৰ একমাত্ৰ ভাৰসা হৈ উঠা বুলিও উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো কালি ভাৰ্চুৱেল ব্যৱস্থাৰে শুভাৰম্ভণি কৰে। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমক ৰে'ল বাজেটত ১০ হাজাৰ কোটি টকা দিয়া বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অহা ২৩ জানুৱাৰীলৈ হ'বলগীয়া ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেশখনলৈ ইতিমধ্যে ৰাওনা হৈছে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। কালি ছুইজাৰলেণ্ডলৈ যাত্ৰাৰ কৰাৰ পূৰ্বে সামাজিক মাধ্যমযোগে তেওঁ ৰাজ্যবাসীৰ আশিস বিচাৰে।

**বাইট (চি এম)**

এই সন্মিলনত ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়ো অংশগ্ৰহণ কৰিব। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হ'ব প্ৰথমগৰাকী অসমীয়া। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত অসমক আগশাৰীলৈ লৈ যোৱাৰ দিশত পদক্ষেপ ল'ব। তেওঁ এই ফ'ৰামত ১৭ খনতকৈও অধিক বৈঠকত অংশ লোৱাৰ লগতে বহুকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। ৫ দিনীয়া এই সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ভাৰতৰ বিভিন্ন কোম্পানীৰ ১০০ গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়া তথা চৰকাৰী প্ৰতিনিধিৰ এটা বৃহৎ দলে ইতিমধ্যে ছুইজাৰলেণ্ডত বাহৰ পাতিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰহ্লাদ যোশী, কে ৰাম মোহন নাইডু এই সন্মিলনত উপস্থিত থকাৰ লগতে দ্বিপাক্ষিক বৈঠকতো উপস্থিত থকাৰ সম্ভাৱনা আছে। অসমকে ধৰি মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীকেইগৰাকীয়ে নিজ নিজ ৰাজ্যত বিনিয়োগ কৰাৰ বাবে বিনিয়োগকাৰীসকলক আকৰ্ষণৰ চেষ্টা কৰিব।

০০০০০০

ৰাজ্য চৰকাৰে আৰক্ষী কনিষ্টবল পদৰ আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়সৰ উচ্চ সীমা বৰ্তমানৰ ২৫ বছৰৰ পৰা ২৬ বছৰলৈ বৃদ্ধি কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰাৰ লগতে আবেদনৰ সময়সীমাও ১৫ দিন বৃদ্ধি কৰা হৈছে বুলি প্ৰকাশ কৰিছে। একেদৰে এ ডি আৰ ইৰ জৰিয়তে চাকৰিত যোগদান কৰা সকলকে ধৰি ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলি আবেদনৰ বাবে স্বাগত সতীৰ্থ প'ৰ্টেলটো অহা মাহত পুনৰ মুকলি কৰা হ'ব বুলি তেওঁ সদৰি কৰিছে। এ ডি আৰ ইৰ বাবে আবেদন কৰা দিব্যাংগ প্ৰাৰ্থীসকলে বিচৰাধৰণে পূৰ্বে মেডিকেল পৰীক্ষাত অনুতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ কাৰণে দ্বিতীয়বাৰৰ বাবে মেডিকেল পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। অপ্ৰাদেশিকৃত বিদ্যালয়ৰ শিক্ষকৰ আবেদনৰ প'ৰ্টেলটো শীঘ্ৰে মুকলি কৰিবলৈ তেওঁ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে বুলি প্ৰকাশ কৰিছে।

**বাইট**

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ছুইজাৰলেণ্ডৰ ডাভোচলৈ ৰাওনা হোৱাৰ পূৰ্বে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰাৰ লগতে অতি সোনকালে যোৰহাট আৰু মাজুলীৰ মাজৰ দলঙৰ কাম পূৰ্ণ গতিত আৰম্ভ হ'ব বুলি উল্লেখ কৰিছে। আনহাতে, নুমলীগড় আৰু গোলাঘাটৰ মাজত হ'বলগীয়া সুৰংগপথত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে অপেক্ষা কৰি থকা বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত অসম কেবিনেটৰ বৈঠক অনুষ্ঠিত কৰাৰ প্ৰয়োজন হ'লে জ্যেষ্ঠ মন্ত্ৰী ৰঞ্জিত দাসে এই বৈঠকত অধ্যক্ষতা কৰিব বুলি সামাজিক মাধ্যমযোগে তেওঁ প্ৰকাশ কৰিছে।

ইপিনে, গুৱাহাটীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অনুষ্ঠিত বাগৰুম্বা দহৌ কাৰ্যসূচী সম্প্ৰতি সামাজিক মাধ্যমযোগে বহুল প্ৰচাৰ হোৱা বুলি উল্লেখ কৰি তেওঁ ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে বাগৰুম্বা নৃত্যৰ দৃশ্য প্ৰচাৰ কৰাৰ ফলত অসমৰ বাগৰুম্বা বিশ্বৰ মাজলৈ যোৱাটো সম্ভৱ হোৱা বুলিও তেওঁ কয়। অনুষ্ঠানটো সফল কৰাৰ বাবে তেওঁ ৰাজ্যৰ সকলো জাতীয় সংগঠনৰ নেতৃত্বক ধন্যবাদ জনায়।

oooooo

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ আজি নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হ'ব। যশস্বী শিল্পী খাউণ্ডৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বেহেলা বাদনেৰে অসমক প্ৰতিনিধিত্ব কৰি শিল্পীগৰাকীয়ে ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত শিল্পীগৰাকীৰ দেহাৱসান ঘটে। ১৯৪০ চনত জন্মলাভ কৰা যশস্বী শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। আকাশবাণীৰ বি-হাই গ্ৰেড শিল্পী মিনতি খাউণ্ড শাস্ত্ৰীয় সংগীতৰ অন্যতম গুৰুৰূপে সমগ্ৰ দেশতে পৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ অসম লোকসেৱা আয়োগৰ সদস্য পৱিত্ৰ ৰাম খাউণ্ড আৰু কন্যা বিশিষ্ট বেহেলাবাদক সুনীতা খাউণ্ড ভূঞাক এৰি থৈ যায়।

oooooo

দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ে আজিৰ পৰা ২২ জানুৱাৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত উত্তৰ-পূব আঞ্চলিক ভাৰতীয় দক্ষতা প্ৰতিযোগিতা ২০২৫-২৬ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ জৰিয়তে দেশৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্থিতি শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। এই অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ যুৱক-যুৱতীসকলক একত্ৰিত কৰা হ'ব। তেওঁলোকে ২৬টা বিভাগৰ দক্ষতা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধুৰীয়ে আজি এই প্ৰতিযোগিতা উদ্বোধন কৰিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি কে বি প্ৰেক্ষাগৃহত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগৰ ক্ষেত্ৰত উদ্যমিতাৰ বিকাশ, প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধি আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় মানৰ সৈতে ফেৰ মাৰিব পৰাকৈ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ প্ৰয়াস কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে বিষয়ে প্ৰকাশ কৰি এই প্ৰতিযোগিতাই দক্ষতা বিকাশৰ জৰিয়তে যুৱ সমাজৰ সম্ভাৱনাক উন্মোচিত কৰাৰ লগতে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিব বুলি মত প্ৰকাশ কৰে।

oooooo

ভাৰত ভ্ৰমণলৈ অহা নিউজিলেণ্ড পুৰুষ ক্ৰিকেট দলে ২-১ৰ ব্যৱধানত এদিনীয়া শৃংখলা হস্তগত কৰিছে। যোৱা নিশা ইন্দোৰত অনুষ্ঠিত শৃংখলাৰ তৃতীয়খন এদিনীয়াত আলহী দলটো ৪১ ৰাণত জয়ী হয়। কিৱি বাহিনীয়ে বান্ধি দিয়া ৩৩৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪৬ অভাৰত মাত্ৰ ২৯৬ ৰাণহে কৰিবলৈ সমৰ্থ হয়। বিৰাট কোহলীয়ে শতকীয় ইনিংছেৰে শেষলৈ যুঁজ দিয়ে যদিও জয়ৰ বাবে সেয়া পৰ্যাপ্ত নাছিল। কোহলীয়ে ১২৪ ৰাণ কৰে।

ইয়াৰ পূৰ্বে, প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰা নিউজিলেণ্ডে নিৰ্ধাৰিত অ'ভাৰত ৮টা উইকেট হেৰুৱাই ৩৩৮ ৰাণ সংগ্ৰহ কৰে। দুৰ্দান্ত প্ৰদৰ্শনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ডেৰিল মিচেলে সৰ্বাধিক ১৩৭ আৰু গ্লেন ফিলিপছে ১০৪ ৰাণ কৰে। প্ৰত্যুত্তৰত প্ৰথম ১৩ অ'ভাৰতে ৪টা উইকেট হেৰুৱাই বিপদত পৰা ভাৰতক কোহলীয়ে কেইবাগৰাকীও খেলুৱৈৰ সৈতে যুটী বান্ধি

উদ্ধাৰৰ চেষ্টা চলায় যদিও মূৰকত ভাৰতে ২৯৬ ৰাণতে ইনিংছ সামৰিবলগীয়া হয়। কিৱি দলটোৰ ডেৰিল মিচেললৈ খেলখনৰ লগতে শৃংখলাৰো শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

০০০০০০

কলিয়াবৰৰ মৌচন্দা পথাৰত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা এলিভেটেড কৰিড'ৰকে ধৰি কেইবাটাও প্ৰকল্পৰ ভূমিপূজন আৰু শুভ উদ্বোধন কৰাৰ বাতৰিটো আজিৰ গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে - কলিয়াবৰৰ মৌচন্দ পথাৰৰ বিশাল জনসভাত প্ৰধানমন্ত্ৰী মোদী, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানেই নহয়, ই অসমৰ আত্মা' আৰু 'কাজিৰঙা এলিভেটেড কৰিড'ৰৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ প্ৰধানমন্ত্ৰীৰ' - শিৰোনামেৰে এই সম্পৰ্কীয় দুটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি আজি অসমীয়া খবৰ, দৈনিক জনমভূমি, the assam tribune কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইপিনে, একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৬ৰ নিৰ্বাচনত ঐতিহাসিক জয়লাভেৰে প্ৰধানমন্ত্ৰীক অসমে চৰকাৰ উপহাৰ দিব বুলি কৰা মন্তব্যক দৈনিক অসমকে ধৰি কেইবাখনো কাকতে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমগৰাকী অসমীয়াৰূপে ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড ইক'নমিক ফ'ৰামত অংশ ল'বলৈ যাত্ৰা কৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, আমাৰ অসমকে ধৰি কেইবাখনো কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভোটাৰ তালিকাৰ সংশোধনীৰ ক্ষেত্ৰত দাবী আৰু আপত্তিৰ বাবে ২২ জানুৱাৰী অন্তিম দিন হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াই ঘোষণা কৰাৰ বাতৰিটো 'দ্য ছেণ্টিনেল' কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

গংগা-ব্ৰহ্মপুত্ৰকে ধৰি দেশৰ ব-দ্বীপসমূহৰ আধা ভূমি ডুব যোৱাত সৃষ্টি হোৱা সংকটকলৈ এটা উদ্বেগজনক বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক, আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ লগতে ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

নলবাৰী জিলাৰ ডিংডিঙি গাঁৱৰ পাগলাদিয়া নৈৰ বাছিৰ ঘাটৰ প্ৰবীণ ঘাওতাল বাছিৰাম দাসৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ১০০ বছৰ। তেওঁক ২০২৪ চনত বৰভাগ প্ৰেছ ক্লাবে বৰভাগ গৌৰৱ বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০

যোৰহাট বালিচাপৰিস্থিত দীঘলীসত্ৰৰ সত্ৰাধিকাৰ হেমচন্দ্ৰ মহন্তৰ কালি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। সত্ৰাধিকাৰগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০

**সমাপ্ত**